**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নং- ২২৮**

## অত্যাৱশ্যকীয় সেৱা ব্যৱস্থাপনা (অসম) আইন, ১৯৮০ ৰ অধীনত ধৰ্মঘটত নিষেধাজ্ঞা

**দিছপুৰ ১৭ আগষ্ট ঃ** অত্যাৱশ্যকীয় সেৱা ব্যৱস্থাপনা (অসম) আইন, ১৯৮০ ৰ অধীনত যোৱা ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ চলিত বৰ্ষৰ ৩১ ডিচেম্বৰলৈ আৰু ছয় মাহৰ বাবে ৰাজ্যখনত ধৰ্মঘট কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। উক্ত আইনৰ অধীনত ভাৰতীয় তেল নিগম, ভাৰতীয় তেল নিগমৰ অধীনস্থ গেছ খণ্ড আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডত কৰ্মৰত বিষয়া, কৰ্মী, ঠিকাভিত্তিক শ্ৰমিক, টেংকাৰ, গাড়ীচালক আৰু খালাচীসকল এই নিষেধাজ্ঞাৰ আওতাত থাকিব। তদুপৰি যিকোনো তৈল ক্ষেত্ৰ , শোধনাগাৰ বা পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছকে ধৰি পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ উৎপাদন, যোগান বা বিতৰণৰ লগত জড়িত যিকোনো প্ৰতিষ্ঠানৰ কৰ্মীসকলৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ'ব।

*এমআৰডি/পিকেডি/১৭-০৮-২০২২*